# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-06-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত আজিৰে পৰা অম্বুবাচী মহাযোগ অনুষ্ঠিত হ'ব। আজি বিয়লি ২ বাজি ৫৬ মিনিটত অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ বন্ধ কৰি দিয়া হ'ব। পুনৰ ২৬ জুনত নিবৃত্তিৰ লগে লগে মন্দিৰ পৰিষ্কাৰ কৰি দেৱীৰ পূজা-অৰ্চনাৰ পাছত ভক্তৰ বাবে মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। ইতিমধ্যে দেশী-বিদেশী ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰত উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। আইন শৃংখলা তথা তীৰ্থযাত্ৰী, ভক্তৰ সুৰক্ষাৰ বাবে মন্দিৰ চৌহদত ১২০ গৰাকী স্থায়ী সুৰক্ষা কৰ্মী, ৪০০ গৰাকী স্কাউট গাইড, ১৫০ গৰাকী স্বেচ্ছাসেৱক আৰু ২৫০ গৰাকী অস্থায়ী সুৰক্ষা কৰ্মী নিয়োগ কৰা হৈছে। দেৱালয়ৰ চৌপাশে ৫০০টা চিচি টিভি কেমেৰা স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পাছত ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰ সংযোগী পথেৰে ভক্তৰ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অম্বুবাচী মহাযোগ সুকলমে অনুষ্ঠিত কৰাৰ বাবে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে।

০০০০

ৰাজ্যত সম্পূৰ্ণ নতুন পদ্ধতিৰে গাঁও পঞ্চায়ত গঠনৰ প্ৰক্ৰিয়া কালি আৰম্ভ হৈছে। জিলা আয়ুক্তই নিয়োগ কৰা বিষয়াই পঞ্চায়তৰ জনপ্ৰতিনিধিসকলক গোপনীয়তাৰ শপতবাক্য পাঠ কৰায়। ইয়াৰ পাছতে সংশোধিত পঞ্চায়ত আইন অনুসৰি এইবাৰ প্ৰথমবাৰৰ বাবে নিৰ্বাচিত সদস্যই গোপন ভোটৰ জৰিয়তে নিজ নিজ গাঁও পঞ্চায়তৰ সভাপতি আৰু উপ-সভাপতি নিৰ্বাচন কৰে।

বিভাগীয় নিৰ্দেশনা অনুসৰি অহা ১০ জুলাই পৰ্যন্ত পঞ্চায়ত গঠনৰ প্ৰক্ৰিয়া অব্যাহত থাকিব। এই সময়ছোৱাত ৰাজ্যত ২ হাজাৰ ২৯২ খন গাঁও পঞ্চায়ত গঠন কৰা হ'ব। ইয়াৰ পাছত পৰ্যায়ক্ৰমে আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদসমূহ গঠন কৰা হ'ব। পঞ্চায়ত গঠনৰ প্ৰথম দিনাই কালি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বজালীৰ বামুণকুছি গাঁও পঞ্চায়তত পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। গাঁও পঞ্চায়ত আৰু আঞ্চলিক পঞ্চায়তসমূহৰ বিত্তীয় ক্ষমতা বৃদ্ধি কৰাৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৫ লাখ টকালৈকে থকা সকলো হাট, ঘাট আৰু বজাৰ পঞ্চায়তৰ হাতত নিবিদা আহ্বান কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ৫ৰ পৰা ১০ লাখ টকালৈ আঞ্চলিক পঞ্চায়তে নিবিদা আহ্বান কৰিব পাৰিব আৰু ইয়াৰ অধিক হ'লে জিলা পৰিষদে নিবিদা দিব পাৰিব।

০০০০

অৰুণাচললৈ শ্ৰমিক হিচাপে কাম কৰিবলৈ যোৱা অসমৰ এজন ছাত্ৰক দুৰ্বৃত্তই হত্যা কৰা ঘটনাক লৈ টি এম পি কে নামৰ ছাত্ৰ সংগঠনটোৱে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পৰিয়ালৰ ভৰণ পোষণৰ উদ্দেশ্যে প্ৰতিবেশী ৰাজ্যখনৰ কুৰোমকামে জিলাৰ চিম্পুত  নামৰ ঠাইত বনুৱা হিচাপে কাম কৰি থকা প্ৰভাস দলে নামৰ ছাত্ৰজনক যোৱা ১৮ জুনত দুৰ্বৃত্তই হত্যা কৰিছিল। ঘটনাটোৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি টি এম পি কেৰ সভাপতি তিলক দলেই অসমৰ পৰা যোৱা শ্ৰমিক বনুৱাক নিৰাপত্তা প্ৰদানৰ বাবে চৰকাৰক দাবী জনোৱা বুলি আমাৰ ধেমাজীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

অ’ এন জি চিয়ে শিৱসাগৰৰ ভটিয়াপাৰত ৰীগৰ পৰা গেছ্ নিৰ্গমন নিয়ন্ত্ৰণ কৰাত অগ্ৰগতি লাভ কৰা বুলি প্ৰকাশ কৰিছে। অ’ এন জি চিয়ে গেছ্ নিৰ্গমনৰ হাৰ পূৰ্বতকৈ হ্ৰাস পোৱা বুলি জানিবলৈ দিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষজ্ঞৰ এটা দলে কালি নিৰ্গমনস্থলীৰ পৰিস্থিতিৰ প্ৰাৰম্ভিক মূল্যায়ণ কৰে আৰু বৰ্তমানলৈ অ’ এন জি চিৰ দলে গ্ৰহণ কৰা ব্যৱস্থাৰ পৰ্যালোচনা চলায়। দলটোৱে আজিৰে পৰা গেছ্ নিৰ্গমন নিয়ন্ত্ৰণৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব। খাদৰ পৰা নলী আঁতৰোৱাৰ কাম ইতিমধ্যে আৰম্ভ হৈছে আৰু সম্প্ৰতি ৰীগৰ তলীৰ পৰা নলী আঁতৰোৱাৰ বাবে ক্ৰেন ব্যৱহাৰ কৰা হৈছে।

০০০০

ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলসমূহত স্বাস্থ্য সেৱাৰ উন্নয়নত বিশেষ গুৰুত্ব আৰোপ কৰাৰ ফলস্বৰূপে ৰাজ্যত প্ৰসূতিৰ মৃত্যুৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ হ্ৰাস পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে চাহ বাগিচাসমূহৰ লাখ লাখ মহিলাৰ বাবে আৰ্থিক সাহায্য, চিকিৎসালয়, চিকিৎসক, এম্বুলেঞ্চৰ সেৱা আগবঢ়োৱাৰ  জৰিয়তে স্বাস্থ্য সম্পৰ্কীয় সুৰক্ষা আৰু সজাগতা বৃদ্ধি হৈছে।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

....................................